অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২০/২০২৩-২৪
Ref :

তাৰিখ : ১৪-১১-২০২৩
Date :

# অসম জাতীয় বিদ্যালয়ত 'শিশু দিৱস' উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১৪ নৱেম্বৰ ঃ** দেশৰ আন প্ৰান্তৰ লগতে আজি অসম জাতীয় বিদ্যালয়তো বিস্তৃত কাৰ্য্যসূচীৰে শিশু দিৱস উদ্‌যাপন কৰা হয়। দিৱস উপলক্ষে বিদ্যালয়ৰ অংকুৰ, প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ প্ৰদৰ্শনীমূলক ভেশচন আৰু প্ৰথম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত ভেশচন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। দ্বিতীয় শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা আৰু তৃতীয়-চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত ভাস্কৰ্য্য আৰু শিল্পকলাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিদ্যালয়ৰ ষষ্ঠৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অসমীয়া, হিন্দী আৰু ইংৰাজী এই তিনিওটা ভাষাতে থিতাতে লিখা সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিশু দিৱসৰ সৈতে সংগতি ৰাখি বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা হাতেলিখা আলোচনীৰ এখন প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়। এই প্ৰদৰ্শনীখন উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক তথা সাংবাদিক দিগন্ত ওজাই। আনহাতে বিদ্যালয়ৰ মুকলি মঞ্চত আয়োজিত মুকলি অনুষ্ঠানত শিশু দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী পল্লৱী গোস্বামীয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সচিব তথা বিশিষ্ট শিশুৰোগ বিশেষজ্ঞ ডা° নাৰায়ণ শৰ্মাই শৈশৱ আৰু কৈশোৰৰ সময়ছোৱাই সৃষ্টিশীল সময় বুলি অভিহিত কৰি শিশুসকলক চাপমুক্ত শিক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে অসম জাতীয় বিদ্যালয় প্ৰতিষ্ঠা কৰা বুলি মন্তব্য কৰে। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি আৰু জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰাজিতা দত্তই দিৱসৰ সৈতে সংগতি ৰাখি গীত পৰিৱেশন কৰে। বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে গীত-নৃত্য পৰিৱেশন কৰাৰ লগতে মনৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। 'শিশু দিৱস'ৰ অনুষ্ঠানৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অলকা গোস্বামী।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়